

নাথ

## সুপ্ৰভাত

আজিৰ দিনটোতে—

- ঋতুস্ৰাৱ স্বাস্থ্য দিৱস।
- নেপালত গণতন্ত্ৰ দিৱস।
- ১৯৩৭ত জাৰ্মান অটোম'বাইল নিৰ্মাতা ফক্সৱাগন প্ৰতিষ্ঠা।
- ১৭৪২ত লণ্ডনৰ প্ৰথম আভ্যন্তৰীণ ছুইমিং পুল আৰম্ভ।
- ১৯৫২ত অভিনেতা অৰুণ নাথৰ জন্ম।
- ১৯৫২ত ভাৰতৰ প্ৰথম লোকপাল পিনাকী ঘোষৰ জন্ম।


স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

বছৰ □ সংখ্যা ৮২ □ বুধবাৰ □ ১৩ জেঠ ১৯৪৭ শক □ ২৮ মে' ২০২৫ চন □ VOL-15 □ NO-82 □ WEDNESDAY 28 MAY 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION


### যোগাসনে ভাৰতবৰ্ষক বিশ্বগুৰু ৰূপে পৰিচিত কৰিছে ঃ অধ্যক্ষ ড° শশীকান্ত শইকীয়া

# কানৈ কলেজত জিলাভিত্তিক দ্বিতীয় যোগাসন প্ৰতিযোগিতা

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৭ মে' ঃ** 'যোগাসনে ভাৰতবৰ্ষক বিশ্বগুৰু ৰূপে পৰিচিত কৰিছে।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ যোগ আৰু ধ্যান কেন্দ্ৰ, সংস্কৃত বিভাগৰ উদ্যোগত ২৫ মে'ত অনুষ্ঠিত জিলাভিত্তিক দ্বিতীয় যোগাসন প্ৰতিযোগিতাত উদ্বোধনী ভাষণ প্ৰদান কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। অধ্যক্ষ ড° শইকীয়াই কয়— শৰীৰ সুস্থ হৈ থাকিলেহে দেশ এখন সুস্থিৰ হ'ব, তাৰ বাবে যোগাসন হৈছে উত্তম পন্থা। তেওঁ কয়— সমগ্ৰ বিশ্বত আজি যোগক লৈ যি জাগৰণ সৃষ্টি হৈছে, ভাৰতবৰ্ষৰ বাবে সেয়া বহু পুৰণি ইতিহাস। ভাৰতবৰ্ষত বৈদিক ঋষি-মুনিসকলৰ দিনতেই এই যোগ চৰ্চা অব্যাহত আছিল। তেওঁ সকলোকে দৈনিক যোগ চৰ্চা কৰিবলৈ আহ্বান জনোৱাৰ লগতে স্বাস্থ্য সুৰক্ষাত যোগাসনৰ গুৰুত্বৰ বিষয়ে বিশদভাৱে আলোকপাত কৰে। অধ্যক্ষ ড° শইকীয়াই কয়— সমগ্ৰ বিশ্বত যোগাসনক প্ৰতিষ্ঠা কৰি ভাৰতবৰ্ষই ইতিমধ্যে বিশ্বগুৰু হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। অৱশ্যে উত্তৰ কোৰিয়া, ছোমালিয়া, দক্ষিণ আফ্ৰিকাৰ কেতবোৰ দেশত আজিও যোগাসন জনপ্ৰিয় হোৱা নাই। তাৰ বাবে সেই দেশসমূহৰ জনসাধাৰণৰ মাজত স্বাস্থ্য সজাগতাৰ সৃষ্টি কৰিব লাগিব আৰু যোগাসনক জনপ্ৰিয় কৰাৰ প্ৰচেষ্টা হাতত ল'ব লগিব। সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা কল্যাণী দাসে আঁত ধৰা আৰু অধ্যাপিকা ড° চয়নিকা গোস্বামীৰ মংগলাচৰণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ ছাত্ৰ সম্পৰ্কৰ সমন্বয়ক ড° জ্যোতিপ্ৰসাদ ফুকনে কয়— আজিৰ বস্তুবাদৰ যুগত মানুহৰ আধ্যাত্মিক উত্তৰণ ঘটাবলৈ য়োগ উত্তম মাধ্যম। যোগে শৰীৰ, মন আৰু আত্মাৰ সমন্বয় সাধন কৰে। কানৈ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপিকা বিনী শইকীয়া আৰু যোগ আৰু ধ্যান কেন্দ্ৰৰ শিক্ষয়িত্ৰী চয়নিকা গগৈৰ সু-পৰিচালনাত বিভিন্ন শাখাত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনত ডিব্ৰুগড় জিলাৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়ৰ প্ৰায় ১৫০গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ শেষত বিজয়ীসকলৰ লগতে অংশগ্ৰহণকাৰী সকলো প্ৰতিযোগীকে একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে।

